**3 (Sem–3/CBCS) ASM–HC 1**

Jawaharlal Nehru College Library
Estd.-1964
Boko Dist Kamrup

**2022**

ASSAMESE

( Honours )

Paper : ASM–HC–3016

**( Asamiya Sahitya Prabesh )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) “সময়খিনি মোৰ যে বুকুখন উদং হৈ থাকিব, ভাই।” ইয়াত ‘ভাই’ মানে কোন?

(খ) কোনে পুত্ৰৰ বুকুত খঞ্জৰেৰে হানিছিল?

(গ) অমলাই কোনখন কলেজৰ পৰা বি. এ. পাছ কৰিছিল?

(ঘ) হৰিবল ককা কোন আছিল?

(ঙ) ‘আশা আৰু সান্ত্বনাৰ কথা’ নিৱন্ধটি লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(চ) অমলাৰ লগত কাৰ বিয়া হোৱাৰ কথা আছিল?

(ছ) টেপুৰামৰ ঘৰ ক’ত আছিল?

(জ) ‘জীৱনৰ অমিয়া’ পাঠটিত উল্লিখিত দুই শ্ৰেণীৰ মানুহৰ মাজত দেখা এটা পাৰ্থক্য উল্লেখ কৰা।

(ঝ) ‘জীৱন বৃত্ত’ প্ৰথম কেতিয়া প্ৰকাশ পাইছিল?

(ঞ) ‘মকৰা পেস্কাৰ’ ৰচনাখনত উল্লিখিত কংগ্ৰেছৰ ভলণ্টিয়াৰ এগৰাকীৰ নাম লিখা।

(ট) 'মমতাৰ চিঠি' কবিতাটি হেম বৰুৱাৰ কোনখন কাব্য-সংকলনত সন্নিৱিষ্ট হৈছে?

(ঠ) দেৱকান্ত বৰুৱাই কোনজন ইংৰাজ কবিৰ কবিতাক আৰ্হি ৰূপে গ্ৰহণ কৰিছিল?

(ড) নৱকান্ত বৰুৱাৰ 'এটি প্ৰেমৰ পদ্য' কোন শ্ৰেণীৰ কবিতা?

(ঢ) চৈয়দ আব্দুল মালিকে ৰচনা কৰা জীৱনীমূলক উপন্যাস এখনৰ নাম লিখা।

(ণ) "ছোৱালীজনীৰ ভবি দুখন ধুনীয়া"—ইয়াত কাৰ ভবি ধুনীয়া বুলি কৈছে?

(ত) হৰিবল ককায়ে কি সূতাৰে বৰশীৰ ৰচী প্ৰস্তুত কৰিছিল?

(থ) 'ব্যক্তিগত পুথিভঁৰাল' নিবন্ধটিত উল্লিখিত পুথিভঁৰালটো কাৰ আছিল?

(দ) বাপুকণৰ আচল নামটো কি আছিল?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) মমতাই নকৈ ঘৰলৈ আহিবৰ দিনা আকাশ কেনেকুৱা হৈছিল, লিখা।

(খ) 'চম্পাৱতীৰ সাধু'ত ধনী মানুহগৰাকীৰ পত্নী দুগৰাকী কোন কোন আছিল?

(গ) ৰায় বাহাদুৰে কাৰ বাবে আৰু কি উপলক্ষত প্ৰীতি-সন্মিয়াৰ আয়োজন কৰিছিল?

(ঘ) চেনিয়ে বেণুক শ'ল মাছৰ বৰ্ণনা কেনেদৰে দিছিল, লিখা।

(ঙ) 'মেকং নৈ দেখিলোঁ'ত বৰ্ণিত চাৰিখন দেশৰ নাম কি কি?





(চ) সাধুকথা আৰু চুটিগল্পৰ মাজত থকা দুটা পাৰ্থক্য উল্লেখ কৰা।

(ছ) বেণুধৰ শৰ্মাই ৰচনা কৰা দুখন জীৱনী গ্ৰন্থৰ নাম লিখা।

(জ) 'জীৱন বৃত্ত'ৰ লেখকগৰাকীৰ এখন পূৰ্ণাংগ নাটক আৰু এখন উপন্যাসৰ নাম লিখা।

(ঝ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখনিত বৰ্ণিত দুটা বিষয় উল্লেখ কৰা।

(ঞ) বিৰিঞ্চিকুমাৰ বৰুৱাই কি কি ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছে?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'এটা প্ৰেমৰ পদ্য' কবিতাটিৰ মাজেৰে ৰমণ্যাসিক ভাব কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

(খ) হৰিবল ককায়ে গাঁৱৰ মানুহৰ কাৰণে কেনেকুৱা কাম কৰিছিল, লিখা।

(গ) জীৱনৰ অমিয়া কেনেধৰণে লাভ কৰিব পাৰি, বৰ্ণনা কৰা।

(ঘ) 'জীৱন বৃত্ত'ত ভবেন্দ্ৰনাথ শইকীয়াদেৰে বৰশী বোৱা দৃশ্যটো কেনেদৰে বৰ্ণনা কৰিছে, চমুকৈ লিখা।

(ঙ) 'ব্যক্তিগত পুথিভঁৰাল'ত উল্লিখিত চুক্তিপত্ৰৰ কথাখিনি ব্যাখ্যা কৰা।

(চ) 'দুখন ভবি' গল্পটিৰ সত্যেন চৰিত্ৰটিৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ছ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগসুখ'ত কেনেধৰণৰ কথাৰ অৱতাৰণা কৰিছে, চমুকৈ লিখা।

(জ) বৌদ্ধ মূৰ্তি সম্পৰ্কে 'মেকং নৈ দেখিলোঁ' গ্ৰন্থখনত কেনেধৰণৰ উল্লেখ পোৱা যায়, চমুকৈ বৰ্ণনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) 'দুখন ভৰি' গল্পটিত ঘটনাৰ বৈচিত্ৰ্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) 'মমতাৰ চিঠি' কবিতাটিত লেখকে বৰ্ণনা কৰা নাৰী মনস্তত্ত্বৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(গ) সময়ৰ পৰিৱৰ্তনে মানুহৰ মাজত কেনেধৰণৰ পৰিৱৰ্তন আনে, 'সাউদৰ পুতেকে নাও মেলি যায়' শীৰ্ষক উপন্যাসখনিত সেই কথা কেনেদৰে উপস্থাপন কৰা হৈছে, আলোচনা কৰা।

(ঘ) 'জীৱন বৃত্ত'ত লেখক ভবেন্দ্ৰনাথ শইকীয়াই পৰিৱেশৰ চিত্ৰ কেনেদৰে বৰ্ণনা কৰিছে তাৰ এটা বিৱৰণ দিয়া।

(ঙ) 'আশা আৰু সান্ত্বনাৰ কথা' শীৰ্ষক লেখাত আশা আৰু সান্ত্বনা সম্পৰ্কে কোনবোৰ কথা সোঁৱৰাই দিছে, আলোচনা কৰা।

(চ) 'মানুহ শংকৰদেৱ' পাঠটিৰ কথা-বস্তু সম্পৰ্কে বহলাই আলোচনা কৰা।

(ছ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগসুখ' শীৰ্ষক প্ৰৱন্ধটিক ভ্ৰমণ-সাহিত্য হিচাবে বিচাৰ কৰি এটা আলোচনা যুগুত কৰা।

(জ) 'মেকং নৈ দেখিলোঁ' লেখাটিৰ আধাৰত লেখকৰ ভ্ৰমণ-অভিজ্ঞতাৰ চমু আভাস দিয়া।

(ঝ) 'মকৰা পেস্কাৰ' ৰচনাখনত বেণুধৰ শৰ্মাদেৱে প্ৰাক্-স্বাধীনতাকালৰ অসমৰ ৰাজনৈতিক চিত্ৰখন কেনেদৰে প্ৰকাশ কৰিছে, আলোচনা কৰা।

(ঞ) হৰিবল ককাই কেনেদৰে বৰশীৰ ডোল তৈয়াৰ কৰি বৰশী বাইছিল, বুজাই লিখা।

★★★